# গৰু-ম'হৰ যকৃতত হোৱা চেপেটা পেলু ঃ তাৰ চিকিৎসা আৰু প্ৰতিকাৰৰ ব্যৱস্থা

**(১)** গৰু-ম'হৰ টোটোলা ওলমা, হাগনি আৰু শুকান-খীনাই হাড়-ছাল ওলোৱা বেমাৰ সাধাৰণতে এবিধ চেপেটা পাতৰ আকৃতিৰ পেলুৰ দ্বাৰা আক্ৰান্ত হোৱাৰ ফলত হয়। বৈজ্ঞানিকৰ ভাষাত এই পেলুবিলাকক ফেচিয়লা বুলি কোৱা হয়। এইজাত পেলুৰ প্ৰকাৰ দুবিধ - ফেচিয়লা জাইগান্টিকা আৰু ফেচিয়লা হিপাটিকা। ইহঁতে গৰু, ম'হ, ছাগলী আৰু ভেড়াক আক্ৰমণ কৰে। অসমৰ গৰু, ম'হৰ মাজত ফেচিয়লা জাইগান্টিকাই বেছি পৰিমাণে হোৱা দেখা যায়। ইহঁতক সাধাৰণতে যকৃতত হোৱা চেপেটা পেলু বুলি কোৱা হয়। পূৰ্ণবয়স্ক এই পেলুবিলাক গৰু, ম'হ আৰু যকৃতৰ পিত্ত নলীত থাকে। এই জাতীয় পেলুবিলাকে আনকি মানুহকো আক্ৰমণ কৰিব পাৰে।

**(২) বেমাৰৰ লক্ষণ ঃ** এই বেমাৰৰ প্ৰধান লক্ষণ হৈছে পেটৰ অসুখ হৈ ছেৰেলিয়াই থকা। আক্ৰান্ত হোৱা প্ৰথম অৱস্থাত গৰু-ম'হবিলাক কিছু পৰিমাণে নিপোটল হোৱা দেখা যায়। ক্ৰমে শৌচ কচা হৈ আহে আৰু শৌচৰ সাধাৰণ অৱস্থা টান হয়। ৰঙৰো ভালেখিনি পৰিৱৰ্তন হয়। গাৰ নোম ভোবোৱা হয় আৰু ক্ৰমে শুকাই-খীনাই হৈ হাড়-ছাল ওলাই পৰে। লগে লগে পনীয়া শৌচ কৰিবলৈ আৰম্ভ হয়। জাকৰ পৰা প্ৰায়েই পিছুৱাই থাকে। গলবিচনীৰ আগৰ কোৱাৰিৰ  তলত টোটোলা ওলমি পৰে। শৰীৰৰ পিছৰ ফালটো, যেনে - নেজ আৰু ঠেং আদি পনীয়া গোবৰেৰে লেতেৰা হৈ থাকে। এনেধৰণৰ আক্ৰান্ত হোৱা গৰু-ম'হে মৃত্যুৰ আগমূহূৰ্ত্তলৈকে ঘাঁহ পাগুলি থাকে আৰু অৱশেষত মৃত্যুৰ মুখত পৰে।

**(৩) ৰোগ নিৰ্ণয় কৰাৰ উপায় ঃ** গৰু-ম'হৰ পেটৰ অসুখ হৈ হাগনি হোৱা আন বেলেগ কাৰণো থাকিব পাৰে। ওপৰত কোৱা ব্যাধিৰ লক্ষণ গৰু-ম'হৰ গাত দেখা পালে ৰোগ নিৰ্ণয়ৰ কাৰণে পশু চিকিৎসকৰ হতুৱাই গোৱৰ পৰীক্ষা কৰাব লাগে। পুৰা শৌচ কৰা গোবৰ পৰীক্ষাৰ বাবে উপযুক্ত।

**(৪) চেপেটা পলুৰ শৰীৰৰ গঠন ঃ** পূৰ্ণবয়স্ক এই পেলুবিলাকৰ দীঘলে ১ ইঞ্চিৰ পৰা ১ ১/২ ইঞ্চি পৰ্য্যন্ত আৰু বহলে ১/২ ইঞ্চিৰ পৰা ১/২ ইঞ্চি হয়। আগফালটো অৰ্থাৎ মুখৰ ফালে পিছৰ বা নেজৰ ফালটোতকৈ কিছু জোঙা আৰু সৰু। দেখাত চেপেটা আৰু মাটিৰ ৰঙৰ। ইহঁতৰ বাকী পেলুবিলাকৰ দৰে মতা আৰু মাইকী বেলেগ নাথাকে। প্ৰত্যেকটো পূৰ্ণবয়স্ক পেলুৰ ভিতৰত মতা আৰু মাইকীৰ অঙ্গ একেলগে থাকে।

**(৫) পেলুৰ সংখ্যা বৃদ্ধি ঃ** পূৰ্ণবয়স্ক পেলুবোৰে আক্ৰান্ত হোৱা গৰু, ম'হৰ যকৃতৰ পিত্তনলীত থাকি কণী পাৰে। কণীবিলাক পিত্ত নলীৰ পৰা পিত্তৰ লগত অন্ত্ৰলৈ আহি গোবৰৰ লগত শৰীৰৰ পৰা বাহিৰলৈ ওলাই আহে। এইদৰে গোবৰৰ লগত ওলাই অহা কণীবিলাকে উপযুক্ত ঠাই যেনে - সেমেকা, জেলুকীয়া, পিটনি আদিত আৱশ্যকীয় উত্তাপ পালে ১০-১২ দিনৰ ভিতৰতে উমনি লৈ প্ৰথম চালুকীয়া অৱস্থা মিৰাচিডিয়ামলৈ ৰূপান্তৰ হয়। এই চালুকীয়া অৱস্থাত ইহঁতে গৰু-ম'হক আক্ৰমণ কৰিব নোৱাৰে। আক্ৰমণ কৰিব পৰা পূৰ্ণাঙ্গ অৱস্থালৈ অহাৰ আগতে দুই-তিনিটামান আৰু চালুকীয়া অৱস্থা পাৰ হ'ব লাগিব। এই চালুকীয়া অৱস্থাবিলাক এবিধ সৰু শামুখৰ শৰীৰৰ ভিতৰতহে ৰূপান্তৰিত হ'ব পাৰে আৰু সংখ্যাও বৃদ্ধি হয়। এক ঘন্টাৰ পৰা তিনি-চাৰি ঘন্টাৰ ভিতৰত এই প্ৰথম চালুকীয়া অৱস্থাত আৱশ্যকীয় শামুকৰ সংস্পৰ্শত আহিব নোৱাৰিলে এই অৱস্থাতে সিহঁতৰ মৃত্যু হয় আৰু এইজাত চেপেটা পেলুৰ জীৱন-চক্ৰ এইখিনিতে সমাপ্ত হয়। আৱশ্যকীয় শামুক 'লিমনিয়া'ৰ সংস্পৰ্শত আহিলে শামুকৰ ২/৩ টা চালুকীয়া অৱস্থালৈ ৰূপান্তৰিত  হৈ শামুকৰ শৰীৰৰ পৰা বাহিৰলৈ ওলাই আহি নেজৰ সহায়ত ২/৩ ঘন্টামান সময় ইফালে-সিফালে পানীত সাতুৰি ঘুৰি ফুৰে। এই অৱস্থাটোক চাৰকেৰীয়া বুলি কোৱা হয়। ক্ৰমে নেজ খহি পৰে আৰু শৰীৰৰ পৰা এবিধ এঠাৰদৰে বস্তু ওলাই এই চালুকীয়া অৱস্থাটোৰ চাৰিওফালে এটা ৰক্ষা কবচৰ দৰে কোষৰ সৃষ্টি কৰি পানী বন্ধ হোৱা 'দ' ঠাইত থকা ঘাঁহনি নাইবা তেনে কোনো টান বস্তুত লাগি থাকে। এই অৱস্থাটোক মেটাচাৰকেৰীয়া বুলি কোৱা হয়। একো একোটা কণীৰ পৰা অৱশেষত এই আক্ৰমণ কৰিব পৰা অৱস্থাৰ মেটাচাৰকেৰীয়া কেইবাশও হ'বগৈ পাৰে। এই মেটাচাৰকেৰীয়া

ঘাঁহৰ পাতত লাগি থাকে আৰু পানী খাওঁতে গৰু-ম'হৰ শৰীৰ ভিতৰত প্ৰৱেশ কৰে। পেটলৈ যোৱাৰ পিছত গৰু-ম'হৰ পাকস্থলিত উৎপত্তি হোৱা এচিদজাতীয় বস্তুৰ সহায়ত মেটাচাৰকেৰীয়া বিলাকৰ ৰক্ষা কবচবিলাক ধ্বংস হয় আৰু চালুকীয়া অৱস্থাত ইহঁতে ক্ৰমে অন্ত্ৰলৈ আহি অন্ত্ৰনলী ফুটা কৰি যকৃত, পাকস্থলী আদি কক্ষ পায়হি। এই অৱস্থাত কক্ষত থকা অঙ্গবিলাকৰ কিছু অনিষ্ট সাধন কৰে। পিছত বগাই গৈ যকৃতত প্ৰৱেশ কৰে। কিছুমানে অন্ত্ৰৰ পৰা পোনেই বগাই গৈ যকৃত পায়গৈ। আন কিছুমানে আকৌ তেজৰ সহায়েৰেও যকৃত পায়গৈ। ক্ৰমে চালুকীয়া অৱস্থাৰ পৰা অলপ ডাঙৰ হৈ যকৃতত  কিছুদিনলৈকে ইফালে-সিফালে ঘূৰি ফুৰি যকৃতৰ ৰস আৰু কোষ আদি খাই ডাঙৰ-দীঘল হৈ যকৃতৰ অনিষ্ট সাধন কৰে। অৱশেষত যকৃতৰ নলীত থিতাপি লৈ পূৰ্ণবয়স্ক অৱস্থালৈ ৰূপান্তৰিত হয়। আক্ৰান্ত হোৱা দিন ধৰি পূৰ্ণবয়স্ক অৱস্থা পাবলৈ এইবিলাক পেলুৰ ২-৩ মাহ মান সময় লাগে। তাৰ পিছতে পুণৰ যকৃতত কণী পাৰিবলৈ আৰম্ভ কৰে আৰু অন্ত্ৰইদি গোবৰৰ লগত শৰীৰৰ বাহিৰলৈ ওলাই আহে। এইদৰেই এইবিধ মাৰাত্মক পেলুৰ জীৱন চক্ৰ গৰু-ম'হ আৰু এবিধ শামুকৰ শৰীৰৰ মাজেদি সম্পূৰ্ণ হৈ উঠে। আক্ৰান্ত কৰিব পৰা এই অৱস্থাৰ মেটাচাৰকেৰীয়া বিলাক একো একোডাল ঘাঁহত বা পাতত শৰ পৰা হেজাৰৰ ওপৰতো থাকিব পাৰে। আগত কৈ অহা চালুকীয়া অৱস্থাবিলাক খালি চকুৰে ধৰা নপৰে। ইহঁতক দেখা পাবলৈ অণুবীক্ষণ যন্ত্ৰৰ আৱশ্যক। একেবাৰে শেষত গৰু-ম'হক আক্ৰান্ত কৰিব পৰা চালুকীয়া অৱস্থাবিলাক (মেটাচাৰকেৰীয়া) পানী বন্ধ হোৱা খাল বা পথাৰত বা ঘাঁহ-পাত আদি ভালদৰে পৰীক্ষা কৰিলে ক্ষুদ্ৰ ক্ষুদ্ৰ একো একোটা বগা জিলিকি থকা চাঁহিৰ দৰে দেখা যাব পাৰে। সৰু বস্তুক ডাঙৰ দেখা আইনাৰে চালে ইহঁতক ভালদৰে দেখা যায়।

**(৬) চিকিৎসা ঃ**

যকৃতত এইজাত চেপেট পেলুৰ ব্যাধিত 'হেক্সাক্লৃ'ৰথিন' নামৰ ঔষধ বিধে ভাল কাম কৰে। ইয়াৰ উপৰিও বৰ্তমান বজাৰত ভাল উপযুক্ত আৰু শক্তিশালী দৰৱ পোৱা যায়। তাৰে কেইটামান তলত সিঁহতৰ খাবলগীয়া পৰিমাণৰ সৈতে উল্লেখ কৰা হ'ল।

(ক) 'ট্ৰিকলাবেন্দাজল' (ব্যৱসায়িক নাম - ফেচিনেক্চ (Fasinex) ১.২ গ্ৰামকৈ ১০০ কে.জি. ওজনৰ গৰু-ম'হক খুৱাব লাগে।

(খ) অক্সিক্লো'জেনাইড' (ব্যৱসায়িক নাম - জেনিল /টলজেন, (Zanil/Tolzam) ১.০ গ্ৰামকৈ ১০০ কে.জি. ওজনৰ গৰু-ম'হক খুৱাব লাগে।

(গ) 'ৰিক'ক্চানাইড (ব্যৱসায়িক নাম - ফ্লুকান্যাইড, (Zanil/Tolzam) ০.৭৫ ৰ পৰা  ১.০ গ্ৰামকৈ ১০০ কে.জি. ওজনৰ গৰু-ম'হক খুৱাব লাগে।

বিঃদ্ৰঃ (ক) দৰৱৰ পৰিমাণ ১০০ কে.জি. ওজনৰ গৰু বা ম'হৰ বাবে দিয়া হয়। প্ৰয়োজন অনুসৰি গৰু বা ম'হৰ ওজন নিৰ্ণয় কৰি দৰৱৰ পৰিমাণ ঠাৱৰ কৰিব লাগে আৰু সেইমতেহে ব্যৱহাৰ কৰিব লাগে।

(খ) দুৰ্বল গৰু-ম'হক ঔষধখিনি সমানে তিনিভাগ কৰি দিনে একো ভাগকৈ খুৱাব লাগে। আৰু প্ৰথমবাৰ ঔষধ খোৱাৰ ২১ দিনৰ পিছত পুণৰ আগৰদৰে একে ঔষধেৰে চিকিৎসা কৰাব লাগে, তেতিয়াহে  ভাল ফল পোৱা যায়। চিকিৎসাৰ কৰাণে ওচৰৰ চিকিৎসকৰ সহায় লোৱাতো বেচি ভাল।

**(৭) যকৃতত হোৱা চেপেটা পেলুৰ প্ৰতিকাৰৰ ব্যৱস্থা ঃ**

প্ৰবাদ আছে - "প্ৰতিষেধক ব্যৱস্থা চিকিৎসাতকৈ শ্ৰেয়।" বেমাৰ হ'লে চিকিৎসা কৰাম, ভাল হ'ব তালৈ বৈ থকাতকৈ কেনেকৈনো এই ব্যাধি নিজৰ আৰু ওচৰ চুবুৰীয়া ৰাইজৰ গৰু-ম'হৰ মাজত হ'ব নিদিয়াকৈ ৰাখিব পাৰে তালৈহে বিশেষভাৱে চকু দিব লাগে। আগতে এইবিলাক পেলুৰ জীৱন চক্ৰৰ আলোচনাতে কৈ অহা হৈছে যে এইজাত পেলুৰ কণীৰ পৰা আৰম্ভ কৰি পূৰ্ণবয়স্ক অৱস্থালৈ আহিবলৈ এবিধ পানীত থকা সৰু শামুখ আৰু গৰু-ম'হ, ছাগলী আদিৰ আৱশ্যক। গৰু-ম'হৰ শৰীৰত এই পেলু থাকিলে শামুখ নহ'লে এই ব্যাধি বিয়পিব নোৱাৰে। আনহাতেদি গৰু-ম'হ এইজাত পেলুৰ পৰা মুক্ত হ'লে আৱশ্যকীয় শামুখ থাকিলেও এই ব্যাধি হ'ব নোৱাৰে। আনহাতেদি গৰু-ম'হে এইজাল পেলুৰ পৰা মুক্ত হ'লে আৱশ্যকীয় শামুক থাকিলেও এই ব্যাধি হ'ব নোৱাৰে। এই ধৰণৰ পেলুবিলাকৰ জীৱন

চক্ৰত সামুক যিহেতু এটা অপৰিহাৰ্য জীৱ, গতিকে যিকোনো প্ৰতিকাৰৰ ব্যৱস্থা হাতত ল'লে প্ৰথম উদ্দেশ্য হ'ব লাগিব শামুখ ধ্বংস কৰা। আমাৰ মানুহে ভালদৰে জানে শামুকনো কেনে ধৰণৰ ঠাইত থাকে। তলত দিয়া প্ৰণালীৰে এই শামুকবিলাকক ধ্বংস কৰিব পৰা যায়।

১। তুতিয়াই (Copper sulphate) শামুক ধ্বংস কৰে। ১ ভাগ তুতিয়া ১ ভাগ পানীৰ লগত মিহলাই নতুবা ১ ভাগ তুতিয়া ভালদৰে গুড়ি কৰি ৪ ভাগৰ পৰা ৮ ভাগলৈ মিহি বালিৰ লগত মিহলাই সেমেকা পানী থকা পথাৰত সিঁচি দিব লাগে। এনেধৰণে ঔষধ দিয়া পথাৰত এজাক বৰষুণ দিয়াৰ পিচতহে, গৰু, ম'হক চৰিবলৈ দিব লাগে। সোঁত বা জান বা জুৰিত তুতিয়াৰ ডোখৰ কিছুমান থৈলাত ভৰাই গাঁৱৰ আৰম্ভণিতে বান্ধি থৈ দিলে পানীৰ সোঁতে তুতিয়া ক্ৰমে গলাই নি জান-জুৰিৰ কাষত থকা শামুক ধ্বংস কৰাত সহায় কৰে।

২। পানী বন্ধ হোৱা ঠাইত নলা কাটি দি সোঁত বৈ থাকিবলৈ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৩। পুখুৰী আৰু বিল আদিৰ কাষত সৰু গছ-লতা আৰু ঘাঁহনি হ'বলৈ দিব নালাগে। এনেধৰণৰ ঠাইবিলাকত শামুক থাকিবলৈ আৰু সংখ্যা বৃদ্ধি হ'বলৈও সুবিধা পায়। পুখুৰী আৰু বিল আদিৰ কাষত থকা ঘাঁহ লতা, সৰু গছা আদি কাটি পৰিষ্কাৰ কৰি ৰাখিব লাগে।

কিছুমান পানী বন্ধ হোৱা ঠাই আছে য'ত গৰু ম'হৰ কাৰণে ভাল ঘাঁহ পোৱা যায়, কিন্তু তেনেধৰণৰ ঘাঁহনিত এইজাত পেলু জীৱন চক্ৰত আৱশ্যকীয় সৰু

৪। গাঁৱৰ ডেকা ল'ৰা, সকলো ৰাইজ একগোট হৈ শামুক ধ্বংস কৰা অভিযান আৰম্ভ কৰিলে অচিৰে শামুকৰ সংখ্যা কমি যাব। তেওঁলোকে গৰু-ম'হ চৰা ঠাইৰ পৰা হাতেৰে শামুক তুলিও বহুত কমাব পাৰে। মাছ মৰা জালৰ সহায়েৰে তুলি বা টিঙৰ সহায়েৰে সিঁচি শামুকৰ সংখ্যা বৃদ্ধি কৰিব পাৰি। ইয়াৰ কাৰণে লাগে কেৱল ৰাইজৰ একতা, আগ্ৰহ আৰু সহানুভূতি। কথাতে কয় - “ৰাইজে নখ জোকাৰিলে নৈ বয়।” এনেধৰণে তোলা শামুক হাঁহ কুকুৰাক খাবলৈ দিব পাৰি নতুবা পুৰি চুণ তৈয়াৰ কৰিব পাৰি।

৫। হাঁহে যিহেতু শামুক খায়, হাঁহ পুহি শামুক থকা ঠাইবিলাকত চৰিব দিলে শামুকৰ সংখ্যা ভালেমান কমাব পাৰি।

৬। শামুকেৰে ভৰি থকা ঘাঁহনি পথাৰত যাতে গৰু-ম'হ চৰিব নোৱাৰে তেনে ঠাইৰ চাৰিওফালে জেওৰা দি ৰাখিব লাগে।

৭। গোবৰ পৰীক্ষা কৰি আক্ৰান্ত হোৱা গৰু-ম'হ পালে জাকৰ চৰিবলৈ দিব নালাগে। এনে ধৰণৰ আক্ৰান্ত হোৱা জন্তুৱে বেমাৰ বিয়পোৱাত সহায় কৰে। ঘৰতে বান্ধি ৰাখি চিকিৎসকৰ হতুৱাই চিকিৎসা কৰাব লাগে। দ' পথাৰ আৰু পানী বন্ধ হোৱা ঠাইত একেবাৰে গৰু চৰিব দিব নালাগে। চৰণীয়া পথাৰ সৰ্বসাধাৰণতে ওখ, পানী নোৱোৰা ঠাই হ'ব লাগে।

এইবিধ পেলুৰ পৰা হোৱা বেমাৰৰ প্ৰতিষেধক হিচাপে ৪ মাহৰ ওপৰত প্ৰত্যেক ১০০ পাউণ্ড ওজনৰ গৰু-ম'হক ১০ গ্ৰামকৈ বছৰত তিনিবাৰকৈ হেক্সাক্লৰ'থিন ঔষধ খুৱাব লাগে। এবাৰ বৰ্ষাকাল আৰম্ভ হোৱাৰ আগতে (এপ্ৰিল মাহত), এবাৰ বৰ্ষাকাল হৈ যোৱাৰ পিছত (অক্টোবৰ মাহত) আৰু আনবাৰ জাৰকালিৰ প্ৰায় মাজভাগত (ফেব্ৰুৱাৰী মাহত)। দুৰ্বল আৰু বেছি ধৰণে আক্ৰান্ত হোৱা বেমাৰীক ঔষধৰ মাত্ৰা কিছু কমাই দিব লাগে। পূৰ্ণ বয়সৰ গৰু, ম'হৰ কাৰণে ঔষধৰ মাত্ৰা ১ ১/২ আউঞ্চৰ বেছি হ'ব নালাগে। গৰু-ম'হক খাবলৈ দিয়া ঘাঁহ-পানী পৰিষ্কাৰ আৰু শামুক শূণ্য ঠাইৰ পৰা অনা হ'ব লাগে। পৰাপক্ষত ঘৰতে বান্ধি ৰাখি ঘাঁহৰ খেতি কৰি খুউৱাৰ ব্যৱস্থা কৰিলে বেচি ভাল। দিনে একোবাৰ গোবৰ-জাবৰ গুচাই গোহালি পৰিষ্কাৰ কৰি ৰাখিব লাগে। গোহালিত গোটোৱা গোবৰ-জাবৰবিলাক য'তে-ত'তে পেলাই নিদি কিছু আঁতৰত গাত খান্দি সদায় তাত জমা কৰি থ'ব লাগে। এনেধৰণে ৰখা গোবৰ-জাবৰবিলাক কিছুদিনৰ পিছত শাক-পাচলিৰ খেতিত সাৰ হিচাপে ব্যৱহাৰ কৰিব পৰা যায়।

ওপৰত কৈ অহা প্ৰতিষেধক ব্যৱস্থাবিলাক হাতত ল'লে গৰু-ম'হক আৰু দুই-তিনিবিধ এনে জীৱনচক্ৰ থকা পেলুৰ বেমাৰৰ পৰা যেনে - নাক উজুৱা, হাগনি বেমাৰৰ পৰা মুক্ত কৰি ৰাখিব পৰা যায়।

গৰু-ম'হক যকৃতত হোৱা চেপেটা চেলুৰ কাৰণে ক্ষতিৰ পৰিমাণ কিমান তাৰ আজিও একো হিচাপ উলিওৱা হোৱা নাই, তথাপিও নিঃসন্দেহে ক'ব পৰা যায় ব্যাধিৰ কাৰণে বছৰি আমাৰ অসমৰ বহু লাখ টকা হানি হয়। ইয়াৰ

কাৰণ হ’ল - এইবিধ পেলুৰ দ্বাৰা আক্ৰান্ত হ’লে গৰু-ম’হৰ কাম কৰিব পৰা শক্তি হ্ৰাস পায়, গাইৰ গাখীৰ কমি যায় আৰু বহু গৰু-ম’হ মৃত্যুমুখত পৰে। যিহেতু আমাৰ ইয়াত দ’ পানী বন্ধ হোৱা ঠাইত চৰি ফুৰা গৰু-ম’হৰ মাত্ৰা খুব বেচি, এনেধৰণৰ ঘাঁহনিত চৰা প্ৰতিটো গৰু-ম’হেই যকৃতত হোৱা চেপেটা পেলুৰ দ্বাৰা আক্ৰান্ত হয় বুলি নিঃসন্দেহে ক’ব পাৰি।

**বিশেষ মন কৰিবলগীয়া কথা ঃ**

১। গৰু-ম’হক যকৃতত চেপেটা পেলুৰ লক্ষণবোৰলৈ সদায় চকু ৰাখক।

২। হাগনি বেমাৰ হোৱা গৰু-ম’হৰ গোবৰ পৰীক্ষা কৰাওক।

৩। আক্ৰান্ত হোৱা গৰু-ম’হক জাকৰ লগত চৰিবলৈ নিদি ঘৰত বান্ধি ৰাখি উপযুক্ত চিকিৎসাৰ ব্যৱস্থা কৰক।

৪। যকৃতত হোৱা পেলুৰ জীৱনচক্ৰত আৱশ্যকীয় সৰু শামুকৰ প্ৰতি চোকা দৃষ্টি ৰাখি সিঁহতক ধ্বংস কৰাৰ ব্যৱস্থা কৰক।

৫। পানী বন্ধ হোৱা ঠাই মাটিৰে পূৰ কৰি নাইবা নলা কাটি সোঁত বোৱাই ৰখাৰ ব্যৱস্থা কৰক।

৬। পানী থকা ঘাঁহনি পথাৰ তুতিয়াৰে চিকিৎসা কৰক।

৭। নলা কাটিব নোৱাৰা ঠাইত জেওৰা দি গৰু-ম’হ চৰিব নোৱাৰা কৰি ৰাখক।

৮। ওখ ঠাইত উন্নত ধৰণৰ ঘাঁহৰ খেতি কৰি গৰু-ম’হক খাবলৈ দিয়ক।

৯। গৰু-ম’হক শামুক শূণ্য ঠাইৰ পৰা পানী খোৱাৰ ব্যৱস্থা কৰক।

চিকিৎসকৰ পৰামৰ্শ লৈ যকৃতত হোৱা চেপেটা পেলুৰ উপযুক্ত চিকিৎসা আৰু ইয়াৰ প্ৰতিষেধক ব্যৱস্থা হাতত ল’বলৈ এতিয়াৰ পৰাই ব্যৱস্থা হাতত লওক। মনত ৰাখিব গৰু-ম’হকেইটাই দেশৰ প্ৰধান সম্বল।

*****

**(উৎস ঃ অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ৭৮৫০১৩)**